1/06/২৫ আমাৰ অসম

# যোৰহাট মহাবিদ্যালয়ৰ ৬৫সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

# ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ বৰ্ণাঢ্য অনুষ্ঠান

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ, ১ জুন ঃ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান যোৰহাট মহাবিদ্যালয় (একত্ৰিত)-ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ লগত সংগতি ৰাখি আজি মহাবিদ্যালয়খনত এক বিশেষ বৰ্ণাঢ্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়। 'ড° ভূপেন হাজৰিকাৰ গীতত বিশ্বজনীন চেতনা' শীৰ্ষক বিষয়বস্তুক কেন্দ্ৰ কৰি আয়োজিত এই বিশেষ বক্তৃতা আৰু সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰে অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা বীথিকা দাস। পুৱা চেমিনাৰ হলত আৰম্ভ হোৱা অনুষ্ঠানৰ আৰম্ভণিতে শিক্ষক-শিক্ষয়ত্ৰীসকলে মহাবিদ্যালয় সংগীত পৰিৱেশন কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই মাংগলিক বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে। আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা যুতিমালি শইকীয়াৰ মাতৃ দীপালি নেওগৰ সোঁৱৰণত আগবঢ়োৱা বঁটা প্ৰদান কৰা হয় সমাজতত্ত্ব বিভাগৰ পৰা উত্তীৰ্ণ হোৱা ২০২৫ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক ৰাখী কে পি ভৰালীক। বঁটা প্ৰদান কৰে যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পবিত্ৰপ্ৰাণ গোস্বামীয়ে। অনুষ্ঠানত ভূপেন্দ্ৰ সংগীতৰ বিশিষ্ট সাধক নয়ন অসম কলিয়াবৰীয়াই ভাষণত অসমৰ লোক সংগীতৰ সুদীৰ্ঘ ইতিহাসৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে। লগতে, ড° ভূপেন হাজৰিকাৰ গীতৰ মাজত নিহিত হৈ থকা দৰ্শন আৰু বিশ্বজনীন মানৱতাবাদৰ বাৰ্তাক সুন্দৰকৈ বৰ্ণনা কৰে। নিজৰ বক্তব্যৰ সমান্তৰালকৈ তেওঁ কেইবাটাও কালজয়ী ভূপেন্দ্ৰ সংগীত আৰু অসমৰ পৰম্পৰাগত লোকসংগীত পৰিৱেশন কৰে। তেওঁৰ লগত তবলা সংগত কৰে যোৰহাটৰ বিশিষ্ট তবলা বাদক অমৰজ্যোতি শৰ্মাই। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ মুৰব্বী পংকজপাণি শইকীয়াই। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষসকল, শিক্ষক-কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰীসকল, বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী শিক্ষাৰ্থী তথা স্থানীয় ৰাইজ উপস্থিত থাকে।